# GENERAL STUDIES—I

## ( Paper—2 )

*Full Marks* : 250

*Time* : 3 hours

---

## QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **10** should be in *150* words each, whereas answers t
Question Nos. **11** to **20** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Bookl
must be clearly struck off.

---

1. Name the major earthquake-prone areas of the world and give details of the Circum-Pacific Belt. (Answer in *150* words) 10

বিশ্বৰ প্ৰধান ভূমিকম্পপ্ৰৱণ এলেকাসমূহৰ নাম উল্লেখ কৰক আৰু প্ৰশান্ত-মহাসাগৰীয় বলয়ৰ বিষয়ে বিতং বিৱৰণ দিয়ক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. Define biosphere and discuss the extent and importance of the biosphere in the earth's environment. (Answer in *150* words) 10

জীৱমণ্ডলৰ সংজ্ঞা দিয়ক আৰু পৃথিৱীৰ পৰিৱেশত জীৱমণ্ডলৰ বিস্তৃতি আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

3. Give an idea of the distribution and ecological characteristics of the tropical rain forest and explain the causes of its rapid degradation. (Answer in *150* words) 10

ক্ৰান্তীয় বৰ্ষাৰণ্যৰ বিতৰণ আৰু পৰিৱেশতাত্ত্বিক বৈশিষ্ট্যৰ এটি ধাৰণা দিয়ক আৰু এনে অৰণ্যৰ দ্ৰুত অৱক্ষয়ৰ কাৰণ ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. Discuss how India would achieve self-reliance as well as national development in the context of the globalized world. (Answer in *150* words) 10

গোলকীকৃত বিশ্বৰ পটভূমিত ভাৰতবৰ্ষই কিদৰে আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাৰ লগতে ৰাষ্ট্ৰীয় উন্নয়ন সাধন কৰিব, আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. Physical geography has a close relationship with Asia's population distribution. Discuss some examples where such a relation does not hold good. (Answer in *150* words) 10

এচিয়াৰ জনসংখ্যা বিতৰণৰ সৈতে ভৌতিক ভূগোলৰ এটা নিকট সম্পৰ্ক আছে। তেনে সম্পৰ্ক প্ৰযোজ্য নোহোৱা কেতবোৰ উদাহৰণ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. Critically evaluate the depiction of partition horror of India in 1947 in any contemporary Indian Novel. (Answer in *150* words) 10

যি কোনো এখন সাম্প্ৰতিক ভাৰতীয় উপন্যাসত ১৯৪৭ চনৰ ভাৰত বিভাজনৰ বিভীষিকা কেনেদৰে বৰ্ণিত হৈছে তাৰ এক সমালোচনাত্মক মূল্যায়ন আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

7. Evaluate the contribution of Dr. Bhabendra Nath Saikia towards film-making in Assam. (Answer in *150* words) 10

অসমত চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ অৱদান মূল্যায়ন কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

8. With the dangers of global climate change becoming a reality, it is now time to replace the discourse of economic growth with that of conservation of nature. Do you agree? Give reasons for your answer. (Answer in *150* words) 10

গোলকীয় জলবায়ু পৰিৱৰ্তনৰ বিপদসমূহ এক বাস্তৱ হিচাপে পৰিগণিত হোৱাৰ সময়ত আজি অৰ্থনৈতিক বিকাশৰ বাগধাৰা (discourse)-ৰ পৰিৱৰ্তে প্ৰকৃতি সংৰক্ষণক আদৰি লোৱাৰ সময় আহি পৰিছে। আপুনি এই কথাত সমতনে? আপোনাৰ উত্তৰৰ সমৰ্থনত যুক্তি দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

9. Elements of dissent and protest were inherent in the preaching of the various Bhakti saints in medieval India. Discuss with examples.
(Answer in 150 words) 10

মধ্যযুগৰ ভাৰতৰ বিভিন্ন ভক্তি সন্তৰ ধৰ্ম প্ৰচাৰত ভিন্নমত আৰু প্ৰতিবাদৰ উপাদানসমূহ নিহিত হৈ আছিল। উদাহৰণসহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

10. Is there a difference between urban poor women and their rural counterparts? Elucidate your views with examples. (Answer in 150 words) 10

নগৰৰ দৰিদ্ৰ মহিলা আৰু গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাৰ মাজত কিবা পাৰ্থক্য আছেনে? উদাহৰণ সহকাৰে আপোনাৰ দৃষ্টিভংগী ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

11. Discuss the major factors contributing towards the selection of location for a manufacturing industry and explain with examples the role of market in this regard. (Answer in 250 words) 15

দ্ৰব্য উৎপাদনকাৰী উদ্যোগৰ স্থান নিৰ্বাচনত অবিহণা যোগোৱা প্ৰধান কাৰকসমূহ আলোচনা কৰক আৰু এই ক্ষেত্ৰত বজাৰৰ ভূমিকা উদাহৰণসহ ব্যাখ্যা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

12. What are the challenges of urbanization in North-East India? Do you think the idea of satellite township can address these challenges? Justify your answer. (Answer in 250 words) 15

উত্তৰ-পূৱ ভাৰতত নগৰীকৰণৰ প্ৰত্যাহ্বানবোৰ কি কি? উপগ্ৰহীয় নগৰৰ ধাৰণাই এই প্ৰত্যাহ্বানবোৰ সমাধান কৰিব পাৰিব বুলি আপুনি ভাবেনে? আপোনাৰ উত্তৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

13. "North-East India is well-equipped to deal with the consequences of a mega earthquake." Analyze the statement with special reference to Assam.
(Answer in 250 words) 15

"উত্তৰ-পূৱ ভাৰত এটা বৃহৎ ভূমিকম্পৰ পৰিণতিৰ সৈতে মোকাবিলা কৰিবলৈ সম্পূৰ্ণ প্ৰস্তুত।" অসমৰ বিশেষ প্ৰসংগত কথাফাঁকি বিশ্লেষণ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

14. What are the two broad categories of socio-religious reform movements in colonial India? How far the western impact contributed to the growth and development of the socio-religious reform movements?
(Answer in 250 words) 15

ঔপনিৱেশিক ভাৰতত সামাজিক-ধৰ্মীয় সংস্কাৰ আন্দোলনক কি দুটা বহল ভাগত ভগাব পাৰি? এই সামাজিক-ধৰ্মীয় সংস্কাৰ আন্দোলনবোৰৰ উৎপত্তি আৰু বিকাশত পশ্চিমীয়া প্ৰভাৱে কি অৱদান যোগাইছিল?
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

15. "Although India has achieved substantial economic growth in recent times, its biggest challenge today is to bridge the widening of gap between the rich and the poor." Analyze this statement and suggest measures to address this issue.
(Answer in 250 words) 15

"সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষই প্ৰভূত অৰ্থনৈতিক বিকাশ সাধন কৰিলেও ধনী আৰু দৰিদ্ৰসকলৰ মাজৰ বৰ্ধিত ব্যৱধান হ্ৰাস কৰাটোৱেই হৈছে বৰ্তমান সময়ৰ বৃহত্তম প্ৰত্যাহ্বান।" এই কথাষাৰ বিশ্লেষণ কৰক আৰু এই সমস্যাটো সমাধান কৰিবলৈ উপায়সমূহ আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

**16.** What do you mean by feminization of poverty? What steps have been taken in recent times to address the issue? (Answer in *250* words) 15

দৰিদ্ৰতাৰ নাৰীকৰণ বুলিলে আপুনি কি বুজে? এই সমস্যা সমাধানৰ বাবে শেহতীয়াকৈ কি পদক্ষেপ হাতত লোৱা হৈছে? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** What do you mean by soil ecosystem? What are its components? Describe the functions of soil ecosystem. (Answer in *250* words) 15

ভূমি পৰিৱেশতন্ত্ৰ বুলিলে আপুনি কি বুজে? ইয়াৰ উপাদানবোৰ কি কি? ভূমি পৰিৱেশতন্ত্ৰৰ কাৰ্যাৱলী বৰ্ণনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** Indian classical music has played a significant role in preserving cultural heritage and strengthening national integrity. Critically analyze with suitable examples. (Answer in *250* words) 15

সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু ৰাষ্ট্ৰীয় সংহতি শক্তিশালী কৰাত ভাৰতীয় ধ্ৰুপদী সংগীতে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। উপযুক্ত উদাহৰণসহ সমালোচনাত্মকভাৱে বৰ্ণনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** Evaluate the major policies of the government of independent India relating to the integration of the tribals in the process of consolidation of India as a nation. (Answer in *250* words) 15

ভাৰতবৰ্ষক এখন দেশ হিচাপে একত্ৰিত কৰাৰ প্ৰক্ৰিয়াত স্বাধীন ভাৰতৰ চৰকাৰৰ জনজাতীয় লোকসকলৰ সংহতিকৰণ সম্পৰ্কীয় মুখ্য নীতিসমূহ মূল্যায়ন কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** Evaluate the religious and historical importance of the Puranas in India. (Answer in *250* words) 15

ভাৰতবৰ্ষত পুৰাণৰ ধৰ্মীয় আৰু ঐতিহাসিক গুৰুত্ব মূল্যাংকন কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★ ★ ★